
# হৰিবিলাস আগৰৱালা



**প্ৰাণজিত আগৰৱালা**
**ৰাজশ্ৰী আগৰৱালা**

*“শোণিত সুবাস”* ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাৱ, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্ৰকাশক ঃ নীল কান্ত শৰ্মা
সম্পাদক, অসমীয়া ক্লাৱ, তেজপুৰ
ৱাৰ্ড নং - ২, পিন ঃ ৭৯৪০০১,
ফোন ঃ ৯৪৩৫০০৬৬১০

হৰিবিলাস আগৰৱালা ঃ হৰিবিলাস আগৰৱালাৰ জীৱন আৰু কৃতি
লিখক ঃ প্ৰাণজিত আগৰৱালা
ৰাজশ্ৰী আগৰৱালা

প্ৰচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাৱ, তেজপুৰ

প্ৰথম প্ৰকাশ ঃ অক্টোবৰ, ২০১৩

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ

**ISBN 978-81-928326-3-0**

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অবগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাৱ, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাৱৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাৱে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাৱৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাৱৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যি সকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেই সকলৰ ক্লাৱৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাত কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাৱ আৰ্থিক দৈন্যত নপৰে।

যি সকলে লিখা প্ৰস্তুত কৰি দি ক্লাৱৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'ট্ৰাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাৱৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাৱ, তেজপুৰ**

'ৰূপ-কোঁৱৰ' জ্যোতিপ্ৰসাদ আগৰৱালা, 'প্ৰতিমা'ৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালা আৰু 'ভাঙনি-কোঁৱৰ' আনন্দচন্দ্ৰ আগৰৱালাৰ মহৎ অৱদানৰ কথা মনত নেপেলোৱাকৈ অসমৰ ভাষা, সাহিত্য, কলা-সংস্কৃতিৰ ইতিহাস আলোচনা কৰিব নোৱাৰি। অসমবাসীয়ে তেওঁলোকক যথা-যোগ্য সন্মানো যাঁচিছে। কিন্তু যি গৰাকী মহান ব্যক্তিৰ তেওঁলোক বংশধৰ আছিল আৰু যি জনাই তেওঁলোকক সাহিত্য, কলা-সংস্কৃতি আৰু সমাজ সেৱাৰ আদি পাঠ শিকাইছিল সেইজনা পূৰ্ব-পুৰুষ হৰিবিলাস আগৰৱালাৰ বিষয়ে অসমৰ মানুহে আজিও খুউব কমেহে জানে। হৰিবিলাসৰ পিতৃ নৱৰঙ্গৰাম আগৰৱালাই যেতিয়া ১৮২৮ চনত অসমৰ গোৱালপাৰাত সুদূৰ ৰাজস্থানৰ চুৰু জিলাৰ পৰা আহি পদাৰ্পণ কৰিছিল তেতিয়াৰে পৰা অসমৰ আগৰৱালা পৰিয়ালৰ বংশ-পৰিক্ৰমা আৰম্ভ হয়।

ভাবিলে আচৰিত হ'ব লাগে যে, দুশ বছৰৰ আগতে মানুহৰ জীৱন-ধাৰা ইমান সাধাৰণ আছিল যে আমাৰ পূৰ্ব-পুৰুষসকলক কাম-কাজত সহায়ক হ'বলৈ কোনো ধৰণৰ বৈজ্ঞানিক উপায় উদ্ভাৱন হোৱা নাছিল। তেনে এক সময়ত কোনোবাই সুদূৰ ৰাজস্থানৰ পৰা অসমলৈ বাট কুৰি বাই কপৰ্দক বিহীন অৱস্থাৰ পৰা আৰম্ভ কৰি অসমত এনে এটা পৰম্পৰা আৰু আৰ্থিক স্বচ্ছলতা পিছৰ সাত পুৰুষলৈ এৰি যাব পৰা কথাটো ভাবিব নোৱৰা কথা। অথচ কিশোৰ নৱৰঙ্গৰাম আগৰৱালাই ১৮২৭ চনতেই খোজ কাঢ়িয়েই ৰাজস্থানৰ চুৰু জিলাৰ পৰা পূৰ্ব দিশৰ অসমলৈ আহোঁতে তেওঁৰ অদম্য সাহসৰ বাহিৰে একোৱেই নাছিল। তেওঁৰে সুযোগ্য পুত্ৰ হৰিবিলাস আগৰৱালাই দিন-পঞ্জী লিখি ১৮৪৯-১৯১৫ চনলৈ সুদীৰ্ঘ ষাঠি বছৰৰ সময় আৰু জীৱনৰ বিষয়ে সাৱলীলভাৱে বৰ্ণনা কৰি থৈ গৈছে। প্ৰখ্যাত বুৰঞ্জীবিদ স্বৰ্গীয় বেণুধৰ শৰ্ম্মাদেৱে, স্বৰ্গীয় তৰুণকুমাৰ আগৰৱালাই ১৯৬৭ চনত প্ৰকাশ কৰি উলিওৱা "হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ আত্মজীৱনী" খনৰ পাতনি



লিখি এই বুলি মন্তব্য কৰিছিল যে হৰিবিলাস আগৰৱালা দিন-পঞ্জীখন যদিও আত্মজীৱনীমূলক তথাপি সেই সময় ছোৱাত উত্তৰ অসমৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক বাতাবৰণ কেনেকুৱা আছিল তাৰ এখন বিশ্বাসযোগ্য ছবি দেখিবলৈ পোৱা যায় দিন-পঞ্জীখনত। অসমত আগৰৱালা পৰিয়ালৰ শুভাৰম্ভণী এই ঐতিহাসিক তথ্য-সম্বলিত দিন-পঞ্জীখনত সাঙোৰ খাই আছে।

নৱৰঙ্গৰামে সমগ্ৰ উত্তৰ ভাৰত অতিক্ৰম কৰি মিৰ্জাপুৰ, ফাৰুকাবাদ, বাৰানসী, মুৰ্ছিদাবাদ হৈ ১৮২৭ চনৰ শেষৰ ফালে বা ১৮২৮ চনৰ আৰম্ভনিতে নামনি অসমৰ গোৱালপাৰা চহৰত পদাপৰ্ণ কৰেহি। সদাগৰী নাৱৰ কৰ্মী হিচাপে তেওঁ এই যাত্ৰাকালত খৰচ উলিয়াইছিল। পোন প্ৰথমে নৱৰঙ্গৰামে গোৱালপাৰাত জনৈক ৰামলাল পোদ্দাৰৰ ব্যৱসায় প্ৰতিষ্ঠানত কাম কৰিছিল। তেওঁৰ আগৰ ঘৰ আছিল ৰাজস্থানৰ ৰতনগড়ত। নৱৰঙ্গৰামক পৰৱৰ্তী সময়ত ৰামলালে বিশ্বনাথ চাৰিআলিত থকা তেওঁৰ ব্যৱসায় প্ৰতিষ্ঠানৰ শাখালৈ পঠিয়ায়। তাৰ পৰাই তেওঁ প্ৰায় ১৮৩০ চনত চাকৰি এৰি নিজাববীয়াকৈ ব্যৱসায় আৰম্ভ কৰে। তেওঁ বিশ্বনাথ চাৰিআলিতে এখন দোকান আৰম্ভ কৰে যদিও পিচলৈ তেওঁৰ দোকান বিশ্বনাথৰ পৰা ৪০ কিঃমিটাৰ নিলগৰ গমিৰিলৈ তুলি নিয়ে। সেই সময়ত গমিৰিখন আহোম ৰজাৰ অধীনত আছিল। তেওঁৰ ব্যৱসায়িক বুদ্ধি-মত্তা, কঠোৰ পৰিশ্ৰম, দৃঢ় মনোবল আৰু দূৰদৰ্শিতাৰ বাবে গমিৰিত তেওঁৰ দোপতদোপে উন্নতি হ'বলৈ ধৰিলে। খুব কম সময়ৰ ভিতৰতে তেওঁৰ নাম প্ৰখ্যাত হৈ পৰিল আৰু আহোম স্বৰ্গদেউৰ প্ৰধানমন্ত্ৰী মণিৰাম দেৱানে মুগ্ধ হৈ ৰাজধানী যোৰহাটলৈ নিমন্ত্ৰণ কৰি নি আহোম স্বৰ্গদেউ পুৰন্দৰ সিংহৰ ৰাজসভাত উপস্থিত কৰালে। স্বৰ্গদেউ পুৰন্দৰ সিংহই নৱৰঙ্গৰামক ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত থকা আহোম শাসনাধীন অঞ্চলৰ ৰাজকীয় বিষয়া হিচাপে নিযুক্তি দি ৰাজহ সংগ্ৰহৰ দায়িত্ব অৰ্পণ কৰে। যেতিয়া আহোম স্বৰ্গদেউ পুৰন্দৰ সিংহই ইংৰাজক দিবলগীয়া বছেৰেকীয়া কৰ ৫০,০০০.০০ (পঞ্চাশ হাজাৰ) দিবলৈ

অসমৰ্থ হ'ল তেতিয়া ১৮৩৮ চনত বৃটিছে তেওঁক সিংহাসনচ্যুত কৰি সমগ্ৰ অসমখন তেওঁলোকৰ অধীনলৈ আনে। তেতিয়াৰে পৰা বৃটিছে ভূমিৰ ৰাজহ সংগ্ৰহ কৰিবলৈ অসমত মৌজাদাৰী প্ৰথা প্ৰৱৰ্তন কৰিলে। বৃটিছে নৰৰঙ্গৰামক গমিৰিৰ মৌজাদাৰ পাতিলে। ছয়দুৱাৰ অঞ্চলত নৰৰঙ্গৰামৰ প্ৰচেষ্টাত শান্তি স্থাপন হোৱাত বৃটিছে সন্তুষ্ট হৈ ১৮৫১ চনত সমগ্ৰ কলংপুৰ মৌজাৰ মৌজাদাৰ পাতিলে। এই বৃহৎ কলংপুৰ মৌজাটো তেতিয়া বিহালিৰ পৰা বালিজানলৈ বিস্তৃত আছিল। ছয়দুৱাৰ অঞ্চলটোৰ উত্তৰপাৰে ডফলা পাহাৰেৰে আবৃত আছিল আৰু সেই ঠাইৰ বাসিন্দা ডফলা জনগোষ্ঠীয় লোকসকলে সঘনে ভৈয়ামৰ বাসিন্দাসকলক অত্যাচাৰ কৰিছিল। তেনে অত্যাচাৰ উপশম ঘটোৱাত তেখেতে আগভাগ লৈছিল আৰু নিৰ্য্যাতন বন্ধ হৈছিল তথা শান্তি বিৰাজ কৰিছিল।

ইতিমধ্যে নৰৰঙ্গৰামৰ ব্যৱসায়-বাণিজ্য ইমানেই প্ৰসাৰিত হ'ল যে গমিৰিৰ উপৰিও কলংপুৰ উত্তৰ লক্ষিমপুৰ আৰু ডিব্ৰুগড়লৈও বিস্তৃতি লাভ কৰিলে। সেই বৃহৎ ব্যৱসায়-বাণিজ্যত ধান, চাউল, সৰিয়হ আদি খাদ্য শস্যৰ পাইকাৰী ব্যৱসায়, বৃহৎ কৃষিপাম, হাতী ধৰা মহল, সৈন্য বাহিনীলৈ খাদ্য যোগান আদি ব্যৱসায় সাঙোৰ খাই আছিল। তেখেতৰ ব্যৱসায় কেৱল অসমৰ চাৰিসীমাৰ ভিতৰতে আৱদ্ধ নাছিল বৰং অসমৰ উপৰিও বঙ্গ, বিহাৰ, উৰিষ্যা আৰু সুদূৰ ৰাজস্থানলৈ ব্যাপ্ত আছিল। অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে যে যাতায়াত ব্যৱস্থাৰ গুৰুত্ব যে অপৰিসীম সেয়া তেওঁ অনুধাৱন কৰিব পাৰিছিল আৰু সেয়েহে নদীয়েদি যাতায়াত কৰিব পৰাকৈ ব্যৱস্থা কৰি লৈছিল। তেঁৱেই পোন প্ৰথমে ব্ৰহ্মপুত্ৰত ফেৰী সেৱা প্ৰৱৰ্তন কৰি উত্তৰপাৰ আৰু দক্ষিণপাৰৰ মানুহখিনিক ইপাৰ-সিপাৰ কৰিব পৰাকৈ ব্যৱস্থা কৰি দিছিল। ইয়াৰ বহু পিছতহে চৰকাৰী আৰু কোম্পানীৰ ফেৰী সেৱা আৰু জাহাজ-সেৱা ৰাইজৰ বাবে প্ৰৱৰ্তন হৈছিল। সেই সময়ত জাক জাক বনৰীয়া হাতী ওচৰৰ পাহাৰৰ পৰা আহি ভৈয়ামৰ মানুহৰ বিস্তৰ ক্ষতি-সাধন



কৰিছিল। বনৰীয়া হাতীৰ বৃহৎ জাকে মানুহ গছকি মাৰি, ঘৰ-দুৱাৰ ভাঙি, শস্যৰ পথাৰ তহিলং কৰি বহুত ক্ষতি-সাধন কৰিছিল। এনে এটা বৃহৎ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ বৃটিছ চৰকাৰে নৰৰঙ্গৰামক হাতীৰ জাক খেদি পঠিয়াবলৈ অথবা বনৰীয়া হাতী ধৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিলে। বনৰীয়া হাতী ধৰি সেইবোৰ বশ মনাই অসমৰ বাহিৰত চালান দি আৰু হাতী-দাঁতৰ ব্যৱসায় কৰি নৰৰঙ্গৰাম যথেষ্ট লাভৱান হৈছিল। বন্য-ভূমি চাফা কৰি সেই ঠাইত পৰিকল্পিতভাৱে কৃষি ভূমিলৈ ৰূপান্তৰিত কৰিবলৈ হাতী ব্যৱহাৰ কৰিছিল আৰু এই কাৰ্য্যত তেওঁ স্থানীয় যুৱকসকলক নিয়োজিত কৰিছিল। বিদেশী চাহ খেতিয়ক উইলিয়ামচন মেগৰেও সেই সময়ত হেলেম, ব্ৰহ্মজান, গহপুৰ আদি ঠাইত নতুন চাহ বাগিছা খুলিবলৈ নৰৰঙ্গৰামৰ পৰা হাতী ভাড়ালৈ লৈ নতুন চাহ-বাগিছা খোলাৰ বাবে উপযুক্ত ভূমি আবাদলৈ আনিছিল। নৰৰঙ্গৰামৰ সমাজ-সেৱাৰ প্ৰতি আগ্ৰহ আৰু স্থানীয় অঞ্চলৰ উন্নয়নৰ বাবে থকা সচেতনতাৰ প্ৰমাণ পোৱা যায় যেতিয়া ১৮৪৯ চনত তেওঁক বিহালিৰ পৰা গহপুৰলৈ উত্তৰ (নৰ্থ) ট্ৰাঙ্কৰোডৰ পথছোৱা (বৰ্তমানৰ NH-52) নিৰ্মাণ কৰি উলিয়াবলৈ ঠিকা দিয়া হৈছিল তেওঁ নিজা ৰবীয়াকৈ নিজৰ খৰচত গমিৰিৰ লগতে আন বহুত গাঁও উক্ত ট্ৰাঙ্কৰোডৰ লগত সংলগ্ন কৰিবলৈ তিনি মাইল পথ নিৰ্মাণ কৰি দিছিল।

নৰৰঙ্গৰামে সামাজিক আৰু সাম্প্ৰদায়িক ঐক্য আৰু সংহতিত বিশ্বাস কৰিছিল আৰু সেইবাবেই তেওঁ নিজ সম্প্ৰদায়ৰ বাহিৰত বিয়া-বাৰু কৰিছিল। প্ৰথমে গমিৰিৰ প্ৰখ্যাত ৰাজখোৱা পৰিয়ালৰ দুহিতা আৰু হৰিবিলাস আগৰৱালাৰ মাতৃ 'সাদৰী'ক বিয়া কৰিছিল। পিছত ব্ৰহ্মজানৰ প্ৰখ্যাত শইকীয়া পৰিয়ালৰ কন্যা 'সোণ-পাহিক' বিয়া কৰাইছিল। সাদৰীৰ ফালৰপৰা তেওঁৰ দুজন পুত্ৰ হৰিবিলাস আৰু ঠানুৰাম আৰু এগৰাকী কন্যা 'কেতেউ'ৰ জন্ম হৈছিল। আনহাতে 'সোণ-পাহি'ৰ ফালৰ পৰা 'কাশীৰাম' নামৰ এজন পুত্ৰ সন্তান আছিল। ৰূপ-কোঁৱৰ জ্যোতিপ্ৰসাদ পৰমানন্দ

আগৰৱালাৰ জ্যেষ্ঠপুত্ৰ অৰ্থাৎ হৰিবিলাসৰ নাতি আৰু নৱৰঙ্গৰামৰ আজোনাতি আছিল। তাৰোপৰি চন্দ্ৰকুমাৰ আগৰৱালা হৰিবিলাসৰ দ্বিতীয় পুত্ৰ আৰু নৱৰঙ্গৰ নাতি। আনহাতে আনন্দচন্দ্ৰ আগৰৱালা হৰিবিলাসৰ সতীয়া ভায়েক কাশীৰামৰ জ্যেষ্ঠপুত্ৰ আছিল। অৰ্থাৎ আনন্দচন্দ্ৰও হৰিবিলাসৰ ভতিজাক আৰু নৱৰঙ্গৰামৰে নাতি আছিল। পৰিয়ালৰ বংশগত 'আগৰৱালা' উপাধিটোৰ বাহিৰে নৱৰঙ্গৰামে স্থানীয় ৰীতি-নীতি, পৰম্পৰা, ভাষা, মাত-কথা, সাজ-পাৰ আদি গ্ৰহণ কৰি অসমীয়া সমাজ জীৱনৰ লগত সম্পূৰ্ণৰূপে জীন গৈ একাকাৰ হৈ পৰিল। তেওঁ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সংস্কাৰমূলক নীতিবোৰৰ দ্বাৰা প্ৰভাৱান্বিত হৈ মাজুলীৰ আউনীআটি সত্ৰৰ সত্ৰাধিকাৰৰ শিষ্যত্ব গ্ৰহণ কৰি বৈষ্ণৱ ধৰ্ম্মত দীক্ষিত হৈ ইয়াৰ প্ৰচাৰত মনোনিৱেশ কৰিছিল। সত্ৰাধিকাৰে দীক্ষা দি তেওঁক ''হাত দীঘল ফুকন'' নামটো দিছিল। তেওঁ পৰিয়ালৰ 'আগৰৱালা' উপাধিটো নেৰিলেও বৈষ্ণৱ ধৰ্ম্মত দীক্ষিত হৈ এই ধৰ্ম্মৰ প্ৰচাৰ আৰু প্ৰসাৰত অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। নৱৰঙ্গৰাম যে তেতিয়াৰ অসমীয়া সমাজৰ এক প্ৰখ্যাত ব্যক্তি হৈ পৰিছিল তাৰ প্ৰমাণ পোৱা যায় সেই সময়ৰ প্ৰচলিত বিহুগীত সমূহৰ তেওঁৰ নাম উল্লেখিত হোৱাৰ পৰা। সুদূৰ ৰাজস্থানৰ প্ৰব্ৰজিত এজন ব্যক্তিৰ বাবে এইটো অসাধাৰণ কৃতিত্ব বুলিব পাৰি।

১৮৬৫ চনৰ এপ্ৰিল মাহত নৱৰঙ্গৰাম আগৰৱালাই ৫৯, ক্লাইব ষ্ট্ৰীট, কলকাতাত থকা মায়াসিং মেঘৰাজ কোঠাৰীৰ বাসগৃহত ৫৪ বছৰ বয়সতে ইহলীলা সম্বৰণ কৰে।

নৱৰঙ্গৰামৰ আজো-নাতি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই লিখিছিল, ''সেই সময়ত অসমৰ বাহিৰৰ পৰা বহুতো মানুহে কামৰ তাগিদাত নাইবা ব্যৱসায়-বাণিজ্যৰ বাবে ইয়াত (অসমত) থাকিবলগীয়া হৈছিল বাবে বহুতেই অসমীয়া পৰিয়ালৰ লগত বিয়া-বাৰু কৰাই পৰিয়াল আৰম্ভ কৰিছিল। এনেদৰে বহুত মানুহ কনৌজ, অযোধ্যা, ৰাজস্থান, মধ্যপ্ৰদেশ,



পঞ্জাৱ, বঙ্গ আদি ঠাইৰ পৰা আহি পৰিয়াল আৰম্ভ কৰিছিল। আগৰৱালা পৰিয়ালৰ লগত এইবোৰ পৰিয়ালৰ পাৰ্থক্য ইমানেই যে আগৰৱালা পৰিয়ালে তেওঁলোকৰ পিতৃ-পিতামহৰ উপাধিটোকে ৰাখিলে, কিন্তু বাকী মানুহে পূৰ্বৰ উপাধিবোৰ এৰি স্থানীয় উপাধি বৰুৱা, দত্ত, সিংহ আদি উপাধি গ্ৰহণ কৰিলে। সেইবাবেই এই পৰিয়ালবোৰৰ আদি পুৰুষৰ জন্ম-বৃত্তান্ত জানিব পৰা নাযায়। অসমৰ বহুতো বিখ্যাত, নামজ্বলা আৰু আঢ্যৱন্ত পৰিয়ালৰ ক্ষেত্ৰতে এইটো প্ৰযোজ্য। এই পৰিয়ালবোৰৰ কিছুমানে অসমলৈ আহি অসমীয়া ছোৱালী বিয়া-বাৰু কৰাই অসমত নতুনকৈ বংশ বিস্তাৰ কৰিছিল যদিওবা কিছুমানে অসমলৈ আহোঁতেই পৰিয়াল লৈ আহিছিল।'' ***(ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই লিখা ''চন্দ্ৰকুমাৰ আগৰৱালা''ৰ দ্বিতীয় পৃষ্ঠাৰ পৰা উদ্ধৃত।)***

হৰিবিলাস আগৰৱালাই সেয়েহে এনে এখন ঘৰত ডাঙৰ দীঘল হৈছিল যিখন বিভিন্ন ধৰণৰ প্ৰভাৱৰ সঙ্গমস্থলী স্বৰূপ আছিল। সেয়েহে তেওঁৰ দেউতাকৰ নিচিনাকৈ ব্যৱসায়-বাণিজ্যৰ বাহিৰেও সামাজিক, ধাৰ্মিক উত্তৰণৰ বাবে, অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতি আৰু দাতব্য সেৱাৰ বাবে হৰিবিলাস আছিল অত্যুৎসাহী। অকল সেয়ে নহয় তেওঁৰ ৰাজনীতি আৰু ভ্ৰমণৰ বাবে আছিল দুৰ্বাৰ হেঁপাহ। তেওঁৰ তিনিকুৰি চৈধ্য বছৰীয়া জীৱনকালৰ পৰা সেয়েহে সেই সময়ৰ অসম, ভাৰত আৰু আমাৰ ওচৰ চুবুৰীয়া দেশবোৰৰ আৰ্থ-সামাজিক-সাংস্কৃতিক আৰু ৰাজনৈতিক বাতাবৰণৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পাৰি।

হৰিবিলাসে বহুত ভ্ৰমণ কৰিছিল আৰু তেঁৱেই ব্ৰহ্মদেশ (এতিয়াৰ ম্যানমাৰ আৰু পূৰ্বৰ বাৰ্মা) আৰু চিলোন (বৰ্তমানৰ শ্ৰীলঙ্কা) ভ্ৰমণ কৰা প্ৰথমজন অসমীয়া আছিল। তেঁৱেই অসমত পোনপ্ৰথমে ৰবৰৰ ব্যৱসায় আৰম্ভ কৰে আৰু অসমৰ বাহিৰত বিশেষকৈ দক্ষিণ ভাৰতত অসমীয়া মানুহৰ ব্যৱসায়িক প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। তেওঁ অসমত চাহ শিল্পৰ

ভৱিষ্যত অনুধাৱন কৰিব পাৰিছিল আৰু সেয়েহে ইংৰাজক দিয়াৰ দৰেই অসমীয়া উদ্যমী ব্যক্তিসকলকো চাহবাগিচা খুলিবলৈ সমান সুবিধা প্ৰদান কৰিবলৈ বৃটিছ কৰ্তৃপক্ষৰ লগত সবল দাবী উত্থাপন কৰিছিল। হৰিবিলাসে ১৮৬১ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা লেফটেনান্ট গৱৰ্ণৰ চিচিল বিদেনৰ প্ৰথম দৰবাৰত উপস্থিত আছিল। ১৮৫৮ চনত হৰিবিলাসে শিৱসাগৰত অধ্যয়নৰত থাকোতে মণিৰাম দেৱানক বৃটিছে যোৰহাট কাৰাগাৰত ফাঁচীকাঠত ওলমোৱাৰ ফলশ্ৰুতিত অসমীয়া মানুহৰ খং আৰু ক্ষোভৰ জুই নিজ চকুৰে দেখিবলৈ পাইছিল। ১৮৫৯ চনত হৰিবিলাসে বঙ্গদেশৰ বৰ্দ্ধমানত তদনীন্তন অপসাৰিত আহোম স্বৰ্গদেউ কন্দৰ্পেশ্বৰ সিংহক সাক্ষাৎ কৰাৰ সৌভাগ্য ঘটিছিল। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহত লোৱা ভূমিকাৰ বাবে স্বৰ্গদেউক সম্পূৰ্ণ অকলশৰীয়াভাৱে জেলৰ কুঠৰীত আৱদ্ধ কৰি ৰাখিছিল। ১৮৪৯ চনত হৰিবিলাসৰ পিতৃ নৰৰঙ্গৰামে বিহালিৰ পৰা গহপুৰলৈ নৰ্থ ট্ৰাঙ্ক ৰোডটো (বৰ্তমানৰ NH-52) নিৰ্মাণ কৰা দেখিছিল। তেওঁৰ ৰাজনৈতিক বিচক্ষণতাৰ বাবেই চুবুৰীয়া পাহাৰৰ অকা, ডফলা আদি জনগোষ্ঠীয় লোকৰ সৈতে শান্তি অটুট ৰখাটো সম্ভৱ হৈছিল। তেওঁৰ বিচক্ষণতাত সন্তুষ্ট হৈ বৃটিছ শাসনকৰ্ত্তাই হৰিবিলাসক 'তহচিলদাৰ' হিচাপে (বৰ্তমানৰ মহকুমাধিপতি) নিযুক্তি দিব বিচাৰিছিল। কিন্তু তেওঁ সেই পদ প্ৰত্যাখ্যান কৰিছিল। ১৮৯৯ চনত হৰিবিলাসে তেওঁৰ একক প্ৰচেষ্টাৰে অসমৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ প্ৰাচীন হাতে লিখা সাঁচিপাতৰ আপুৰুগীয়া পুথি-পাঁজিবোৰ ছপা কৰি উলিয়াইছিল। ইয়াৰ দ্বাৰা প্ৰাচীন অসমীয়া পুথি-পাঁজি আৰু গ্ৰন্থবোৰৰ কথা সকলোৱে জানিব পাৰিলে আৰু ইয়ে অসমীয়া ভাষা-সাহিত্যৰ উন্নয়নৰ ক্ষেত্ৰত নিত্যান্তই আৱশ্যক হোৱা সঞ্জীৱনী শক্তি যোগালে। এইজন অসাধাৰণ ব্যক্তিৰ বৰ্তমানৰ শোণিতপুৰ জিলাৰ গমিৰিত ১৮৪২ চনৰ চেপ্তেম্বৰ মাহত জন্ম হৈছিল।

শিক্ষা-দীক্ষাৰ প্ৰতি হৰিবিলাসৰ যথেষ্ট অনুৰাগ আছিল। যিহেতু সেই



সময়ত ওচৰে পাজৰে কোনো শিক্ষানুষ্ঠান নাছিল গতিকে প্ৰথম অৱস্থাত দেউতাকৰ ব্যৱসায়ৰ হিচাব-পত্ৰ আৰু নথি-পত্ৰবোৰ চাই চাই পঢ়িবলৈ আৰু লিখিবলৈ শিকিছিল। সেইবোৰ 'নাগেৰী' হৰফত লিখা আছিল। হৰিবিলাসৰ অসমীয়া বৰ্ণমালা শিকাৰ সুবিধা হৈছিল দেউতাকৰ মৌজা-কাৰ্য্যালয়ত ৰখা নথি-পত্ৰবোৰ চাই চাই। সেই সময়ত কিন্তু বাংলা ভাষাহে অসমৰ চৰকাৰী ভাষা আছিল। ইয়াৰ উপৰিও তেওঁলোকৰ ঘৰত থকা 'মুনিম' হীৰানন্দ চৌধাৰী আগৰৱালাৰ পৰা হৰিবিলাসে সংস্কৃতৰ শ্লোক আৰু বিষ্ণু সহস্ৰ নাম আওৰাইছিল। তদুপৰি দেউতাক নৰৰঙ্গৰামে তেওঁৰ সন্মুখত বহুৱাই লৈ নিতৌ ৰামায়ণ আৰু মহাভাৰত পঢ়িবলৈ দিছিল। ১৮৫০ চনত ডিব্ৰুগড়ৰ প্ৰধান সহকাৰী আয়ুক্ত কেপ্তেইন ভেচ্ছ চাহাবে নৰৰঙ্গৰামৰ ঘৰলৈ আহোঁতে হৰিবিলাসৰ অধ্যয়নৰ প্ৰতি থকা প্ৰবল ধাউতিৰ বাবে আনুষ্ঠানিক শিক্ষা দিবলৈ ডিব্ৰুগড়লৈ পঠিয়াবলৈ উপদেশ দিলে। তেনে এক সময়ত আনুষ্ঠানিক শিক্ষা দিবলৈ ইমান দূৰলৈ পঠিওৱাটো এক প্ৰকাৰ অসাধাৰণেই যে নাছিল এনে নহয়, বৰং অলাগতিয়াল আৰু সময়ৰ বৰবাদহে বুলি গণ্য কৰা হৈছিল। সি যিয়েই নহওক হৰিবিলাসে খুড়াক গুলাবচান্দৰ লগত ১৮৫১ চনত পিতৃৰ আশীৰ্বাদ শিৰত লৈ আনুষ্ঠানিক শিক্ষা প্ৰাপ্তিৰ বাবে ডিব্ৰুগড় পালেগৈ। হৰিবিলাসে ডিব্ৰুগড়ৰ যিখন বিদ্যালয়ত ভৰ্ত্তি হৈছিল সেই বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ নাম আছিল কেশৰ দেৱশৰ্মা। সেই সময়ত অসমৰ স্কুল বিলাকত শিক্ষাৰ মাধ্যম আছিল বাংলা। তেতিয়া অসমত মাত্ৰ দুখনহে ইংৰাজী মাধ্যমৰ স্কুল বিলাকত শিক্ষাৰ মাধ্যম আছিল বাংলা। তেতিয়া অসমত মাত্ৰ দুখনহে ইংৰাজী মাধ্যমৰ স্কুল আছিল এখন গুৱাহাটীত আৰু আনখন শিৱসাগৰত। স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলে কাঠৰ শ্লেটত লিখিছিল যিবোৰ এলান্ধু জাতীয় গুড়িৰে ক'লা কৰা হৈছিল। পাঠ্যপুথিবোৰ বাংলা ভাষাৰ আছিল। হৰিবিলাসে ১৮৫৬ চনলৈ ডিব্ৰুগড়ত পঢ়াৰ পিচত তেওঁ শিৱসাগৰত থকা ইংৰাজী মাধ্যমৰ স্কুলত ভৰ্ত্তি হয়। তেতিয়া উক্ত স্কুলৰ প্ৰধান শিক্ষক

আছিল মিঃ লায়নেল এঞ্জেলছ। হৰিবিলাস গণিতত পাৰদৰ্শী আছিল আৰু তেওঁ কঠোৰ পৰিশ্ৰমী হোৱা বাবে শ্ৰেণীত সদায় প্ৰথম নাইবা দ্বিতীয় হৈছিল। তেওঁক একে বছৰতে ডাবল-ত্ৰিপল প্ৰমোশ্যন দি ওপৰৰ শ্ৰেণীত বহিবলৈ দিছিল। তেওঁ নগদ ৪ টকাকৈ বছেৰেকীয়া বৃত্তিও লাভ কৰিছিল। ১৮৫৯ চনত হৰিবিলাসে তেতিয়াৰ গুৱাহাটীৰ আয়ুক্ত মিঃ জেনকিনছ আৰু অসমৰ স্কুল সমূহৰ পৰিদৰ্শক মিঃ ৰবিনচনৰ অনুপ্ৰেৰণা পাই কলকাতালৈ পঢ়িবলৈ গৈ তাৰ ‘হিন্দু স্কুল’ত ভৰ্ত্তি হয়। তেতিয়া স্কুলৰ প্ৰধান আছিল মিঃ ছাটক্লিফ। কিন্তু কেইমাহ মানৰ পিচতে তেওঁ স্কুল পৰিত্যাগ কৰি ঘৰলৈ উভতি আহিবলগীয়া হয় যিহেতু দেউতাকৰ ব্যৱসায়-বাণিজ্য বাঢ়ি যোৱাত তেওঁক সহায় কৰিবলৈ তেওঁৰ পুত্ৰ হৰিবিলাসৰ খুবেই প্ৰয়োজন হৈছিল।

আমোদজনক কথাটো হ’ল এয়ে যে হৰিবিলাসে গমিৰিৰ পৰা কলকাতালৈ নদীৰে যাত্ৰা কৰা কালত তেজপুৰ, গুৱাহাটী, গোৱালপাৰা, ঢাকা আৰু খুলনাত জিৰণি লৈছিল। বৰষুণ, বানপানী আৰু ডকাইতিৰ ভয়ৰ বাবে গোৱালপাৰাৰ পৰা ঢাকালৈ এই পথছোৱা নাৱেৰে নগৈ কয়লা ভৰ্ত্তি এখন জাহাজেৰেহে নিৰাপদ ভাবি যাত্ৰা কৰিছিল। ঘৰলৈ ওভতাৰ আগেয়ে তেওঁ মুৰ্চিদাবাদ, আজিমগঞ্জ, ৰামপুৰহট, বৰ্দ্ধমান (য’ত তেওঁ কাৰাবন্দী আহোম স্বৰ্গদেউ কন্দৰ্পেশ্বৰ সিংহক সাক্ষাৎ কৰিছিল) আৰু পুৰীৰ জগন্নাথ মন্দিৰ দৰ্শন কৰিছিল। ভ্ৰমণৰ কালছোৱাত তেওঁ ৰেলেৰে কিছু যাত্ৰা কৰিছিল যিহেতু তেতিয়াই ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পোন প্ৰথম বাৰৰ বাবে কলকাতাৰ পৰা সাইঠিয়া ৰেলৰ লাইন বহুৱাইছিল। বাকী ছোৱা পথ তেওঁ হয়তো পদব্ৰজে, গৰুগাড়ীত নাইবা দোলা বা পাল্কীত উঠি অতিক্ৰম কৰিবলগীয়া হৈছিল। তেওঁৰ মতে তেতিয়াৰ দিনত কলকাতাখন বিশেষ উন্নত নাছিল আৰু ই নদীবন্দৰ আৰু সৈনিকৰ ছাউনিহে আছিল। যিহেতু বহুদিনলৈ মুৰ্চিদাবাদখন বঙ্গদেশৰ নবাবসকলৰ ৰাজধানী আছিল। কিন্তু বৃটিছ সকলৰ কলকাতাত আগমণ হোৱাৰ লগে লগে ইয়াৰ গুৰুত্ব বাঢ়িল আৰু শতিকাটো ঘূৰাৰ লগে



লগে কলকাতাখন আধুনিক নগৰ হিচাপে গঢ় লৈ উঠিল। অক্টোবৰ মাহত তেওঁ কলংপুৰৰ ঘৰলৈ উভতি আহিল। কলকাতাৰ পৰা ১৭৫ টকাত এখন নাও ভাৰাত লৈ ঘৰলৈ আহোঁতে তেওঁক দেৰমাহ সময় লাগিছিল।

১৮৬১ চনত কৈশোৰ অৱস্থাতে হৰিবিলাসে ব্যৱসায় জগতত প্ৰৱেশ কৰি পৰিয়ালৰ ডিব্ৰুগড়ত থকা ব্যৱসায় চম্ভালে। সেই বছৰতে বৃটিছ চৰকাৰে আইন কৰি অসমত আফিং খেতি বন্ধ কৰে আৰু বিস্তৃতভাৱে চাহখেতি কৰিবলৈ সিদ্ধান্ত লয়। অসমত চাহখেতিৰ বহুল প্ৰচলনৰ লগে লগে অসমৰ বিশেষকৈ উজনি অসমৰ অৰ্থনীতি দ্ৰুতভাৱে উন্নতি হ’বলৈ ধৰিলে আৰু ইয়াৰ লগতে ব্যৱসায়-বাণিজ্যৰ সুবিধাও বাঢ়িল। তেতিয়ালৈ কেৱল ব্যৱসায় বুলিবলৈ অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ বেচা-কিনা কৰা আৰু খেতি-বাতি কৰা কামৰ মাজতে মানুহৰ অৰ্থনৈতিক কাম-কাজ সীমাবদ্ধ আছিল। তেনে এক সময়তে হৰিবিলাসে নিজৰ বুদ্ধি, সাহস, দূৰদৰ্শিতা আৰু অধ্যৱসায়ৰ বলত নিজৰ ব্যৱসায়িক উৎসাহ উদ্দীপনাৰে পৰিয়ালৰ ব্যৱসায় বিভিন্ন ধৰণে বিস্তৃতি সাধিলে। এনেকি কুৰিবছৰৰ ব্যৱধানতে হৰিবিলাসে পৰিয়ালৰ ব্যৱসায়-বাণিজ্য বঢ়াই সমগ্ৰ অসম, বঙ্গদেশ, উৰিষ্যা আৰু সুদূৰ দক্ষিণ-ভাৰত ব্যাপী ব্যৱসায়ৰ এখন বিশাল সাম্ৰাজ্য গঢ়ি তুলিছিল। অসমতে তেওঁ তেওঁলোকৰ পৰিয়ালৰ পৰম্পৰাগত ব্যৱসায় বাণিজ্যৰ প্ৰসাৰ কৰিবলৈ ৬০ খনতকৈ অধিক দোকান খুলিছিল আৰু ডিব্ৰুগড়ত তামোলবাৰী চাহবাগিছা খুলিছিল। ইয়াৰ উপৰিও ‘অসম ৰবৰ এছোচিয়েশ্যন’ নামেৰে এটা ৰবৰ কোম্পানী খুলি অসমত ৰবৰৰ ব্যৱসায়ৰ উন্নয়নৰ জৰিয়তে হৰিবিলাস দক্ষিণ-ভাৰততো প্ৰসিদ্ধ হৈ পৰিছিল। তদুপৰি অসমৰ পৰা বেত ৰপ্তানি কৰিছিল আৰু ১৮৮৩ চনত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত তেজপুৰৰ জাহাজঘাটত পোন প্ৰথমবাৰৰ বাবে কাঠ ফলা মিল বহুৱাই চাহপাত পেকিং কৰা বাকচ নিৰ্মাণ কৰাৰ কাৰখানা খোলে। ১৮৭৬ চনত কলকাতাৰ ১০ আৰ্মেনিয়ান ষ্ট্ৰীটত থকা ‘এজ্ৰা এণ্ড কোম্পেনী’ নামৰ ইহুদি ব্যৱসায়িক প্ৰতিষ্ঠানখন ক্ৰয়

কৰি হৰিবিলাসে বেংকিং ব্যৱসায় আৰম্ভ কৰে। তেওঁ চাহবাগিছাবোৰক আৰ্থিক সাহায্য আগবঢ়োৱা ব্যক্তিসকলৰ ভিতৰত প্ৰথম ব্যক্তি আছিল আৰু 'উইলিয়ামচন মেগৰ' আৰু 'মেকলিয়ড্' আদি বিখ্যাত চাহ কোম্পানীবোৰক অৰ্থৰ যোগান ধৰিছিল। উৰিষ্যাত তেওঁ কয়লাৰ খনি আৰু চক্ৰধৰপুৰত এটা চাম্ৰাৰ ব্যৱসায় আৰম্ভ কৰিছিল। এইবোৰৰ উপৰিও তেজপুৰ, ডিব্ৰুগড় আৰু উত্তৰ লখিমপুৰত যথেষ্ট পৰিমাণৰ সা-সম্পত্তি গঢ়ি তুলিছিল আৰু ১৮৮৮ চনত অসমৰ ভিতৰতে এজন চহকী সম্পত্তিশীল ব্যক্তি বুলি জনাজাত হৈছিল।

এজন দেশীয় ব্যৱসায়ীৰ বাবে ইমানবোৰ সম্পদ গঢ়ি তোলা আৰু ব্যৱসায়ত প্ৰতিপত্তি লাভ কৰাটো সহজ নাছিল, বৰং পদে পদে বহুত বাধা-বিঘিনিৰহে সন্মুখীন হ'ব লগাত পৰিছিল। বৃটিছ আৰু ইউৰোপীয়সকল ইয়ালৈ অহাৰ মুখ্য উদ্দেশ্যই আছিল ব্যৱসায়-বাণিজ্য কৰা, নিজক আৰু নিজ নিজ দেশক চহকী কৰিবৰ বাবে ভাৰতৰ পৰা প্ৰাকৃতিক সম্পদবোৰ লুণ্ঠন কৰা। এই পৰিপ্ৰেক্ষিতত সেয়েহে বৃটিছ চৰকাৰে এনে এক বৈষম্যমূলক নীতি গ্ৰহণ কৰিছিল যিয়ে দেশীয় ব্যৱসায়ীসকলক বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰিছিল। মুক্ত-বাণিজ্য আৰু ন্যায়-আচৰণৰ যি ফুলজাৰি বৃটিছে মাৰিবলৈ নাপাহৰিছিল সেয়া কেৱল কাগজে-পত্ৰইহে আছিল, বাস্তৱ ক্ষেত্ৰত সম্পূৰ্ণ ওলোটা ছবি এখনহে দেখিবলৈ পোৱা গৈছিল। উদাহৰণ স্বৰূপে অসমত চাহ-শিল্পৰ উজ্জ্বল ভৱিষ্যত অনুধাৱন কৰি বৃটিছে স্পষ্টকৈ এক বৈষম্যমূলক নীতি গ্ৰহণ কৰি বৃটিছ আৰু ইউৰোপীয় চাহ খেতিয়কক চাহ খেতিৰ বাবে ভাল ভাল চৰকাৰী ভূমি বন্টন কৰিছিল শ শ বিঘা মাটি। যাৰ ফলত এই বিদেশী চাহ কোম্পানীবোৰে অতি কম দিনৰ ভিতৰতে বৃহৎ পৰিমাণৰ মাটিৰ মালিকীস্বত্ব লাভ কৰিলে। সেই সময়তে এই চাহ বাগিচাবোৰত কাম কৰিবলৈ বৃটিছ আৰু ইউৰোপীয় মালিকবোৰে বঙ্গদেশৰ পুৰুলিয়া জিলা আৰু মধ্য ভাৰতৰ ছোটনাগপুৰ অঞ্চলৰ পৰা বৃহৎসংখ্যক চাহ শ্ৰমিকৰ আমদানি কৰাইছিল।



আকৌ বৃটিছ চৰকাৰে সকলোবোৰ ৰবৰৰ ব্যৱসায়ীকে চৰকাৰী বনবিভাগৰ নিলাম কেন্দ্ৰৰ পৰাহে ৰবৰ সংগ্ৰহ কৰিবলৈ বাধ্যতামূলক আইন বলবৎ কৰিলে। যদিও পাহাৰৰ জনজাতিৰ দখলত ৰবৰৰ গছ আছিল তথাপি সেইবোৰ সংগ্ৰহ কৰাত বাধা আৰোপ কৰিলে। অকল সেয়ে নহয় নিলাম কেন্দ্ৰবোৰতো বৃটিছ আৰু ইউৰোপীয় নিবিদাকাৰীক দেশীয় নিবিদাকাৰীৰ তুলনাত অগ্ৰাধিকাৰ দিয়া হৈছিল। এনেবোৰ বৈষম্যমূলক নীতি স্বত্বেও হৰিবিলাসে সকলোবোৰ বাধা-বিঘিনি হেলাৰঙে অতিক্ৰমি চৰকাৰী বন মহল আৰু বনখণ্ড নিলামত ডাকিব পাৰিছিল অৱশ্যে ইয়ে তেওঁৰ সম্ভাব্য লাভৰ এক বুজন অংশ কমাই দিছিল। বৃটিছ চৰকাৰে ইমানতে ক্ষান্ত নাথাকি হৰিবিলাসৰ ওপৰত মিছা কেছ (গোছৰ) জাপি দি আৰু তেওঁৰ ৰবৰৰ মজুতবোৰ (ষ্টক) বাজেয়াপ্ত কৰি তেওঁক ৰবৰৰ ব্যৱসায়ৰ পৰা ছলে-বলে কৌশলে আঁতৰাবলৈ চেষ্টাৰ অকণো ত্ৰুটি কৰা নাছিল। কিন্তু অকণো বিচলিত নহৈ হৰিবিলাসে চৰকাৰৰ এনে অন্যায় আৰু বৈষম্যৰ বিৰুদ্ধে আদালতত আইনী যুদ্ধত অৱতীৰ্ণ হৈ নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিছিল যি আইনী যুদ্ধত তেওঁক আকৌ সহায় কৰিছিল বৃটিছ অধিবক্তা সকলেই। এইদৰে তেওঁ ৰবৰৰ ব্যৱসায়ত নিজৰ ব্যক্তিগত প্ৰতিপত্তি বজাই ৰাখিছিল। ইয়েই প্ৰমাণ কৰে যে সেই সময়ত ভাৰতীয় বা দেশীয় ব্যৱসায়ী সকলক সুবিধা পালেই বৃটিছ আৰু ইউৰোপীয় ব্যৱসায়ীসকলে উন্নতিৰ পদে পদে বাধা দিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল।

১৮৯০-৯১ চনত এইটো স্পষ্ট হৈ পৰিল যে বৃটিছৰ লগত থকা এনেধৰণৰ শত্ৰুতাৰ বাবে হৰিবিলাসৰ ব্যৱসায়ত বিপৰ্যয় নামি আহিল আৰু বৃহৎ পৰিমাণৰ ক্ষয়-ক্ষতি, লোকচানৰ সন্মুখীন হ'ল। যেতিয়া সকলোবোৰ ইউৰোপীয় চাহবাগিচাৰ পৰিচালক (মেনেজাৰ) বোৰলৈ হৰিবিলাসৰ কাঠৰ মিলৰ পৰা যোগান ধৰা চাহপাতৰ 'পেটি'ৰ বাবদ পাবলগীয়া বাকীবোৰ খুজি তাগিদা দিলে তেতিয়া ইউৰোপীয়সকলে তেনে কাৰ্য্যত আত্মসন্মান লাঘৰ

হোৱা বুলি খণ্ডত অগ্নিশৰ্মা হৈ সকলোৱে একেলগে হৰিবিলাসৰ মিলৰ পৰা চাহ পেটি ক্ৰয় নকৰে বুলি সিদ্ধান্ত ল'লে আৰু মিঃ ৰায়াণ নামৰ চাহাব এজনক চাহপাতৰ পেটি নিৰ্মাণ কৰিবলৈ এনে এটা মিল স্থাপন কৰিবলৈ পৰামৰ্শ দিলে। ইয়াৰ ফলত বৃহৎ সংখ্যক চাহপাতৰ পেটি আৰু কেঁচামাল ৰ'দে-বৰষুণে জহি-খহি যাবলগীয়া হোৱাত হৰিবিলাসৰ বিস্তৰ ক্ষতিসাধন হ'ল। যেতিয়া তেওঁৰ এই আৰ্থিক ক্ষয়-ক্ষতিৰ খবৰ চাৰিওফালে বিয়পি পৰিল তেতিয়া কলিকতাত থকা তেওঁৰ বেংকিং ব্যৱসায়তো জটিলতা আহি পৰিল যিহেতু বিনিয়োগকাৰীসকলে তেওঁলোকৰ বিনিয়োগৰ ধনবোৰ ওভতাই বিচাৰে। কিন্তু অবিচলিত হৰিবিলাসে তেওঁৰ কথা ৰাখিলে। যেতিয়া তেওঁৰ নগদ ধন শেষ হৈ আহিল তেতিয়া তেওঁ তেজপুৰ, ডিব্ৰুগড় আৰু লখিমপুৰৰ বহুতো স্থাৱৰ সম্পত্তি বিক্ৰী কৰি হ'লেও তেওঁ নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিছিল। ঠিক তেনে এক সন্ধিক্ষণতে তেওঁ কলকাতাৰ ১০ আৰ্মেনিয়ান ষ্ট্ৰীটত থকা স্থাৱৰ সম্পত্তিও বিক্ৰী কৰি দিব লগীয়া হয়। কলকাতাৰ সম্পত্তিখিনিৰ বিক্ৰীৰ লগত এটা আমোদজনক ঘটনা জড়িত হৈ আছে। সেই সম্পত্তিখিনিৰ বিক্ৰীৰ কথা-বতৰা চলি থাকোঁতেই হৰিবিলাসে এজন ক্ৰেতাৰ লগত ৭২,০০০ টকাত বিক্ৰী কৰিবলৈ বন্দোবস্ত কৰিলে। ঠিক তাৰপিছতে আন এজন ক্ৰেতাই আহি তেওঁক ৯০,০০০ টকা দিছিল। কিন্তু তেওঁ প্ৰথম জন ক্ৰেতাক কথা দিয়াৰ বাবে পিছৰ গ্ৰাহকজনৰ লোভণীয় দাম লবলৈ অস্বীকাৰ কৰিলে। ইয়াৰ দ্বাৰাই হৰিবিলাসৰ সততা ন্যায়, নিষ্ঠাৰ প্ৰমান পোৱা যায়। অসমত থকা সকলো দোকান তেওঁ বন্ধ কৰি দিবলগীয়া হৈছিল।

আন মানুহ হোৱা হ'লে ধ্বংস হৈ গ'লহেঁতেন। কিন্তু তেওঁৰ অদম্য কৰ্ম্ম-স্পৃহা আৰু মনৰ উদ্যম অকণো নকমিল; আৰু তেওঁৰ পুত্ৰসকলৰ সহায়ত পুনৰ পূৰ্বৰ স্বচ্ছল অৱস্থালৈ ঘূৰি আহিবলৈ অশেষ চেষ্টা কৰিলে। ১৯১২ চনৰ ভিতৰত যদিও তেওঁ কলকাতাৰ বিক্ৰী হোৱা সা-সম্পত্তিবোৰ পুনৰুদ্ধাৰ কৰিব নোৱাৰিলে তথাপি অসমত তেওঁ পূৰ্ব্বৰ অৱস্থা ঘূৰাই পাবলৈ



সক্ষম হ'ল। আৰ্থিকভাৱে টনকিয়াল কৰাৰ ক্ষেত্ৰত হৰিবিলাসৰ দ্বিতীয় পুত্ৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ একক প্ৰচেষ্টা, নিষ্ঠা আৰু আত্মোৎসৰ্গাৰ বাবেই সম্ভৱপৰ হৈছিল বুলি স্বীকাৰ কৰিবই লাগিব। তেৱেঁই ডিব্ৰুগড়ৰ তামোলবাৰী চাহবাগিচাখন অসমৰ এখন আটোমটোকাৰীকৈ ৰখা অনন্য সুন্দৰ আৰু লাভজনক চাহ-বাগিচাৰূপে গঢ়ি তুলিছিল। ১৮৯৩ চনত আমেৰিকাৰ চিকাগো চহৰত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক চাহ-প্ৰদৰ্শনীত তামোলবাৰী চাহবাগিচাৰ চাহক উৎকৃষ্ট মানদণ্ডৰ চাহৰ বিশেষ খিতাপ (মেডেল) প্ৰদান কৰা হৈছিল Leaf and infusion ত। তেওঁলোকৰ আৰ্থিক অৱস্থা আৰু ভাললৈ আহিল যেতিয়া চন্দ্ৰকুমাৰৰ সৰু ভায়েক আৰু হৰিবিলাসৰ কনিষ্ঠ পুত্ৰ গোপালচন্দ্ৰ আগৰৱালাই ১৯১৯ চনত গহপুৰৰ ওচৰত ভোলাগুৰি চাহবাগিচাখন গঢ়ি তোলে। এইখন ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত প্ৰথমখন দেশীয় লোকৰ আৰু অনা-ইউৰোপীয় মানুহৰ দ্বাৰা প্ৰতিষ্ঠিত চাহ-বাগিচা আছিল য'ত ১৯৩৪ চনত হৰিবিলাসৰ নাতি আৰু পৰমানন্দ আগৰৱালাৰ জ্যেষ্ঠপুত্ৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই অসমৰ প্ৰথমখন অসমীয়া কথাছবি 'জয়মতী' নিৰ্মাণ কৰি অসমীয়া চলচিত্ৰৰ শুভাৰম্ভ কৰিছিল।

হৰিবিলাসে অসমৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰাৰ আৰু দ্ৰুতভাৱে উন্নতি কৰাৰ এটা প্ৰধান কাৰণ আছিল যে তেওঁ সুবিধাৰ সদ্ব্যৱহাৰ কৰি ব্যৱসায় পৰিচালনাৰ সুনিপুণ কৌশল খটুৱাই কৃষিকৰ্ম আৰু ব্যৱসায়-বাণিজ্যৰ পৰম্পৰাগত ধাৰাটো সলনি কৰি প্ৰতিযোগিতামূলক আধুনিক শিল্প-বাণিজ্যৰ পাতনি মেলিছিল। তেওঁৰ দেউতাক (নৱৰঙ্গৰাম)ৰ দিনত ব্যৱসায়-বাণিজ্যবোৰ পৰিয়ালৰ মাৰোৱাৰী সম্প্ৰদায়ৰ আত্মীয়ৰ দ্বাৰা চলোৱা হৈছিল যেনে, গৌৰীদত্ত লোহিয়া, গোবিন্দৰাম গোয়েংকা, তিলকচান্দ কেড়িয়া ইত্যাদি আৰু ব্যৱসায়ৰ লেনদেন কৰা হৈছিল কমিশ্যন এজেন্ট তুলাৰাম ভাদুড়ী আছোৱাল (গোৱালপাৰাৰ) আৰু তেজপুৰৰ মায়াসিং মেঘৰাজ কোথাৰী আদিৰ দ্বাৰা। এইদৰে

পৰম্পৰাগত ভাৱে ব্যৱসায়-বাণিজ্য চলোৱা হৈছিল। কিন্তু হৰিবিলাসে পৰম্পৰাগতভাৱে চলি থকা ব্যৱসায়-বাণিজ্যৰ ধাৰাটোৰ পৰিৱৰ্তন ঘটাই অধিক গতিশীল কৰি তুলিবলৈ আনকি ইঞ্জিনীয়াৰ ডেভিদচন, মিঃ ষ্টুৱাৰ্ট, মিঃ ইং আদি ইউৰোপীয় লোকক, লগতে স্থানীয় ব্যক্তি লক্ষীকান্ত বৰকাকতী, মহীকান্ত কাকতী আদি ব্যক্তিকো নিয়োগ কৰিছিল। তদুপৰি তামোলবাৰী চাহবাগিচাখন যদিও এখন পৰিয়ালকেন্দ্ৰিক প্ৰতিষ্ঠান আছিল তথাপি ১৯১৫ চনত ইয়াক 'প্ৰাইভেট লিমিটেড' লৈ ৰূপান্তৰিত কৰি পৰিচালনাৰ ক্ষেত্ৰত পৰিৱৰ্তন সাধা হয়। তেওঁ আনকি বহুত উদ্যোগী ব্যক্তিক অনুপ্ৰেৰণা যোগাই আন আন দেশীয় আৰু স্থানীয় ব্যৱসায়ীৰ লগ লাগি যৌথভাৱে ব্যৱসায়-বাণিজ্য গঢ়ি তোলাৰ পোষকতা কৰিছিল, যিহেতু সেই সময়ত ব্যক্তিগতভাৱে একক প্ৰচেষ্টাৰে বৃহৎ ব্যৱসায় কৰাটো অসম্ভৱ আছিল।

হৰিবিলাস সম্বন্ধে বহুতো মনোৰঞ্জক ঘটনা আছে। যেনে, ১৮৬১ চনত মাৰৱাৰৰ পণ্ডিত মুৰুলীধৰজীৰ শিষ্য হয় আৰু তেঁৱেই হৰিবিলাস নামটো দিয়ে। ১৮৬২ চনত তেওঁ যেতিয়া ডিব্ৰুগড়ত আছিল তেতিয়া হাইজাত তেওঁ মৰো মৰো হৈছিল। কিন্তু ডিব্ৰুগড়ৰ তেতিয়াৰ জিলা উপায়ুক্ত মিঃ বিভাৰে তেওঁক চিকিৎসা কৰিবলৈ চিভিল চাৰ্জন ডাঃ হুৱাইট আৰু ডাঃ বাহাদুৰ আলীক পঠিয়াইছিল। তাৰ পিছত চুনিলাল চাৰাউগী আৰু গৌৰীদত্ত লোহিয়াই তেওঁক শুশ্ৰুষা কৰি সুস্থ কৰি তোলে। ১৮৬৬ চনত তেওঁ বৰগোলাৰ পৰা মাত্ৰ ২০০০ টকাতে তেজপুৰত বৰ্তমানৰ জোনাকী চিনেমা হলৰ পৰা জ্যোতিভাৰতী ('পকী')লৈ গোটেইখিনি ঠাই কিনিছিল। ১৮৬৮ চনত ৰজাঘৰীয়া এটুকুৰা হীৰা তেওঁ যোৰহাটৰ কুশল চন্দৰ পৰা মাত্ৰ ৮৫ টকাত ক্ৰয় কৰিছিল। সেই একে বছৰতে ছয়দুৱাৰ অঞ্চলটো ডিব্ৰুগড় জিলাৰ পৰা পূৰ্বৰ দৰং জিলালৈ অন্তৰ্ভুক্তি কৰিছিল। ১৮৬৯, ১৮৭০ আৰু ১৮৭১ চনৰ বছৰ কেইটাত ক্ৰমে তেওঁ ৫০ হাজাৰ, ১ লাখ আৰু ২ লাখ টকা ৰবৰৰ ব্যৱসায়ৰ পৰা লাভ কৰিছিল। সেই সময়তে তেওঁ যেতিয়া গমিৰিত আছিল



তেতিয়া তেজপুৰ বৰগোলাৰ লালচান্দ ডুগৰ নামৰ এজন অংশীদাৰে হৰিবিলাসৰ ইচ্ছাৰ বিৰুদ্ধে তেজপুৰত 'নৰৰঙৰাম হৰিবিলাস' নামৰ দোকান এখন খুলিছিল যিখন পিছত বন্ধ কৰি দিয়া হয়। ১৮৭০ চনত গহপুৰ অঞ্চলৰ ডফলা পাহাৰত তেওঁ যেতিয়া ওচৰে পাজৰে উৎপীড়ন চলোৱা মুখিয়াল মৈৰাতৰাক ধৰিবলৈ অভিযান চলাইছিল তেতিয়া সৌভাগ্যবশতহে কথমপি বিহসনা ধনু-কাঁড়ৰ আক্ৰমণৰ পৰা সাৰিছিল। সেই একে অভিযানতে আৰক্ষী অধীক্ষক মিঃ ট্ৰেক্টৰৰ ভৰিত বিষাক্ত ধনু-কাঁড় বিদ্ধ হৈ আঘাত প্ৰাপ্ত হৈছিল। ১৮৭১ চনত ব্যৱসায়ত বেছিকৈ মনোনিবেশ কৰিবলগীয়া হোৱাত তেওঁ কলংপুৰ মৌজাৰ মৌজাদাৰৰ পদৰ পৰা ইস্তফা দিয়ে আৰু বিহগুৰিৰ বংশৰামক মৌজা চমজি দিয়ে। ১৮৭৫ চনত তেওঁ ৪৫০০ টকাত ফুকনবাৰী আৰু ১৮৯৪/৯৫ চনত ভীমপাৰা চাহবাগিচাখন ২৮৫০ টকাত কিনি ডিব্ৰুগড়ত থকা তামোলবাৰী চাহবাগিচাখনৰ সম্প্ৰসাৰণ ঘটায়। ১৮৮৩ চনত যেতিয়া অঁকা সকলৰ লগত যুদ্ধৰ সূত্ৰপাত হয় তেতিয়া চীফ কমিশ্যনাৰ মিঃ এলিয়টৰ অনুৰোধ মৰ্মে যুদ্ধত লিপ্ত অঁকা আৰু বৃটিছৰ মাজত মধ্যস্থতা কৰিছিল যদিও কোনো মীমাংসা নোহোৱাত হৰিবিলাসে মানশিৰি নৈৰ বালিপাৰাত থকা কাঠৰ মিলটো তেজপুৰৰ জাহাজ ঘাটলৈ উঠাই আনিব লগীয়া হয়। অৱশ্যে ১৮৯৩ চনত বইলাৰ, মেচিন্যাৰীসহ মিলটো ২৫০০ টকাত সৰুৰাম মৌজাদাৰক বিক্ৰী কৰি দিয়ে। ১৮৯৭ চনত স্বামী পৰমহংস শিৱনাৰায়ণজীৰ উপদেশ মৰ্মে তেওঁ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ বিৰচিত হাতে লিখা প্ৰাচীন সাঁচিপতীয়া পুথি-পাঁজিবোৰ ছপাশালত ছপা আৰু প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লয়। তেওঁৰ এই প্ৰচেষ্টাই অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত অনবদ্য অৱদান যোগাই গ'ল।

হৰিবিলাসে বিস্তৰ ভ্ৰমণ কৰিছিল। ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ তেওঁ ভ্ৰমণ কৰিছিল আৰু চিলোন (বৰ্তমানৰ শ্ৰীলংকা) আৰু বাৰ্মা (বৰ্তমানৰ ম্যানমাৰ)লৈ যোৱা তেঁৱেই প্ৰথম অসমীয়া আছিল। এনে ধৰণৰ ভ্ৰমণ

তেতিয়াৰ দিনত দুঃসাহসিক কাম হিচাপেই পৰিগণিত হৈছিল যিহেতু ৰাস্তা-ঘাট বুলিবলৈ একোৱেই নাছিল। ১৯১০ চনতহে অসমত পোনপ্ৰথমে ৰেলসেৱা আৰম্ভ হয়। বৃটিছ সৈন্যবোৰ অনা-নিয়া কৰিবলৈ চিলেটৰ পৰা চেৰাপুঞ্জি হৈ ছিলঙলৈ যিটো ৰাস্তা বৃটিছে নিৰ্মাণ কৰিছিল সেইটো পিচলৈ গুৱাহাটীলৈও সম্প্ৰসাৰণ কৰে কিন্তু পথটো যাতায়তৰ বাবে সুচল নাছিল।

১৮৭৩ চনত হৰিবিলাস আগৰৱালাই গমিৰিৰ পৰা তেজপুৰত নিগাজীকৈ থাকিবলৈ আহিল। ১৮৬২ চনত তেওঁ গহপুৰৰ ভদৰাম হাজৰিকাৰ জীয়ৰী মলমাক বিয়া কৰাইছিল আৰু তেওঁৰ পাঁচজন পুত্ৰসন্তান আৰু এগৰাকী কন্যাসন্তান আছিল। তেওঁ ল'ৰা-ছোৱালীৰ শিক্ষাৰ কথা ভাবিয়েই গমিৰিৰ পৰা তেজপুৰলৈ গুচি আহিছিল। তেজপুৰৰ মাজ মজিয়াত তেওঁ যিটো ঘৰত বাস কৰিছিল সেইটো পিচলৈ 'পকী' নামে প্ৰসিদ্ধি লাভ কৰিছিল যিহেতু সেইটোৱেই তেজপুৰৰ প্ৰথম 'পকী-ঘৰ' আছিল। 'পকী' কেৱল তেওঁৰ ঘৰেই যে আছিল এনে নহয় তেতিয়াৰ তেজপুৰৰ, আনকি অবিভক্ত দৰং জিলাৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক কাম-কাজৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছিল। পিচলৈ এটা সময়ত এই 'পকী' বহুতো ঐতিহাসিক আৰু উল্লেখযোগ্য ঘটনাৰাজিৰ নীৰৱ সাক্ষী হৈ পৰিছিল। অসম আৰু ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহুতো গণ্যমান্য নেতা আৰু লোক যেনে, মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদি ব্যক্তি এই 'পকী'ত থাকিছিলহি। এই পকীতেই হৰিবিলাসৰ পুত্ৰ চন্দ্ৰকুমাৰ আৰু ভতিজাক আনন্দ চন্দ্ৰ আগৰৱালাই অসমীয়া ভাষা-সাহিত্যৰ চৰ্চ্চাৰ দ্বাৰা ইয়াৰ উত্তৰোত্তৰ উন্নতিৰ বাবে যি প্ৰচেষ্টা চলাইছিল সিয়ে অসমৰ সাংস্কৃতিক জগতত 'পকী'ৰ বিশেষ স্থানৰ কথা সোঁৱৰাই দিয়ে। এই 'পকী'তে ডাঙৰ হৈ তেওঁৰ নাতি জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া, ভাষা-সাহিত্য আৰু সংস্কৃতিৰ দিশ নিৰ্ণয় কৰি নৱ-জীৱন প্ৰদান কৰিছিল। এই 'পকী'ৰ ছত্ৰছায়াতে বিষ্ণুপ্ৰসাদ ৰাভা আৰু ফণী শৰ্ম্মাই তেওঁলোকৰ কলা-সংস্কৃতিৰ যি চৰ্চ্চা আৰু অনুশীলন চলাইছিল



তাৰ পূৰ্ণতা প্ৰস্ফুটিত হৈছিল চিৰযুগমীয়া 'বাণ-থিয়েটাৰ'ৰ মঞ্চত। আনকি এই 'পকী'ৰ চাৰি বেৰৰ মাজত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে এসময়ৰ অকণি ভূপেন হাজৰিকাক আৱিষ্কাৰ কৰি উলিয়াইছিল আৰু জন্মগত শিল্পী প্ৰতিভাৰ যি উন্মেষ ঘটাইছিল সিয়ে পৰৱৰ্ত্তী সময়ত তেওঁক অকল অসম বা ভাৰতৰে নহয়, সমগ্ৰ বিশ্বৰ প্ৰান্তে প্ৰান্তে জীৱন্ত কিংবদন্তীৰ খিয়াতি প্ৰদান কৰিলে। এতিয়াও তেজপুৰৰ মাজ মজিয়াত এসময়ৰ পকীয়ে সদৰ্পে অসম চৰকাৰৰ এটা অনুষ্ঠান হিচাপে 'জ্যোতি-ভাৰতী' নাম লৈ থিয় দি আছে অতীত গৌৰৱৰ ধ্বজা বহন কৰি নীৰৱ সাক্ষীৰূপে নিষ্ক্ৰিয় বৰ্তমান আৰু অনিৰ্দিষ্ট ভৱিষ্যতৰ কলীয়া ডাৱৰৰ আৱৰ্ত্তত। 'পকী'ক অসমৰ এটা প্ৰখ্যাত 'হেৰীটেইজ্ বিল্ডিং' হিচাপে চিৰকালৰ বাবে সংৰক্ষণৰ আৱশ্যকতা আছে যিহেতু ইয়াৰ চাৰিবেৰৰ মাজতে অসমৰ এটা যুগৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক উত্থানৰ উন্মেষ ঘটিছিল।

উল্লেখযোগ্য যে হৰিবিলাস আগৰৱালা অসমীয়া ক্লাবৰ জন্ম লগ্নত ওতঃপ্ৰোত ভাবে জড়িত আছিল। অসমীয়া ক্লাবৰ প্ৰাক্তন সম্পাদক প্ৰয়াত কুশ চন্দ্ৰ শৰ্মাই 'অসমীয়া ক্লাবৰ চমু বুৰঞ্জী'ত উল্লেখ কৰিছে যে অসমীয়া ক্লাৱ প্ৰতিষ্ঠাৰ সাফল্যৰ গুৰিত পদ্মনাথ গোহাঁই বৰুৱাৰ সৈতে সেইসময়ত পণ্ডিত জয়দেৱ শৰ্মা, ভৱানী চৰণ ভট্টাচাৰ্য্য, বেথাৰাম শৰ্মা আৰু হৰিবিলাস আগৰৱালা প্ৰধান আছিল। ক্লাৱৰ ঘৰটো নিৰ্মাণ কাৰ্য্যত হৰিবিলাস আগৰৱালাৰ অবদান উল্লেখযোগ্য আছিল।

আৰম্ভণিত ক্লাৱৰ সদস্য হ'বলৈ হ'লে বহুতো নিয়ম মানিব লগীয়া হৈছিল। কিন্তু অসমীয়া ক্লাৱৰ প্ৰচলিত নিয়মৰ বাহিৰত বিশেষ বিবেচনাৰ ভিত্তিত হৰিবিলাস আগৰৱালা, ভৱানীচৰণ ভট্টাচাৰ্য্য ৰায় চাহাব আৰু বেথাৰাম শৰ্মা ৰায়বাহাদুৰ এই তিনিজন বৰেণ্য ব্যক্তিক ক্লাৱৰ স্থায়ী সদস্য ৰূপে ভূক্ত কৰা হয়।

পদ্মনাথ গোঁহাই বৰুৱাই তেখেতৰ 'মোৰ সোঁৱৰণী' নামৰ গ্ৰন্থত

উল্লেখ কৰিছে যে ‘‘কোনো প্ৰখ্যাত বৰমানুহ তেজপুৰ টাউনলৈ আহিলে ক্লাবত যথাযোগ্যকৈ অভ্যৰ্থনা কৰা ৰীতি চকুত লগাকৈ পালন কৰা হৈছিল; অসমৰ এক্টিং চীফ কমিচনাৰ কৰ্ণেল পি-আৰ-টী গৰ্ডনক দিয়া অভ্যৰ্থনা অনুষ্ঠানত হৰিবিলাস আগৰৱালা ডাঙৰীয়াই তেজপুৰৰ ইতিবৃত্ত বিষয়ক এটি চমু বিবৃতি গৰ্ডন চাহাবক আলাপৰ চলতে কৈ শুনাইছিল; আগৰৱালা ডাঙৰীয়াই ডেকা কালত বাণ- ৰজাৰ আচল ৰাজধানী ভালুকপুং কাৰেঙলৈ লতা বগাই উঠি যি চমৎকাৰ দৃশ্য দেখিছিল, সেইছোৱাৰ বৰ্ণনা বিশেষকৈ শুনিব লগীয়া হৈছিল। তাৰ পিছত, আগৰ শোণিতপুৰ কিয় আৰু কেতিয়াৰ পৰা তেজপুৰ নামে অভিহিত হ’ল আৰু সেই পৌৰাণিক তেজপুৰে কিভাবে ক্ৰমাৎ আধুনিক উন্নতিৰ বাটে আগুৱাব লাগিছে, তাৰো এটি বিশদ বিবৃতি বখানিছিল।’’ [‘মোৰ সোঁৱৰণী’ - পদ্মনাথ গোহাঁই বৰুৱা, পৃষ্ঠা ২৫৫]

অৱশ্যে অসমীয়া ক্লাৱ গঠনৰ এবছৰ সাত মাহ পিছতেই হৰিবিলাস আগৰৱলাৰ দেহাবসান হয়। তেখেতে অসমীয়া ক্লাৱৰ হকে যি ঐতিহাসিক বৰঙণি আগবঢ়াইছিল তাক ক্লাৱে কেতিয়াও পাহৰিব নোৱাৰে।

যদিও মূলতে হৰিবিলাস এগৰাকী ব্যৱসায়ী আছিল, তথাপি তেওঁ এগৰাকী জ্ঞানী পুৰুষ আৰু সংস্কৃত সাহিত্যৰ পণ্ডিত আছিল। তেওঁৰ বাসগৃহত থকা তেওঁৰ পুথিভঁৰালত সংস্কৃতৰ বহুতো অমূল্য গ্ৰন্থৰাজিৰে ঠাহ খাই আছিল। অসমীয়া সমাজ জীৱনলৈ হৰিবিলাসে আগবঢ়োৱা সম্ভৱত অমূল্য অৱদানটো হ’ল ১৮৯৯ চনত যেতিয়া তেওঁ অসমীয়া সমাজ আৰু জাতিৰ সত্বাস্বৰূপ মহাপুৰুষ দুজনাৰ সুকীৰ্ত্তি হাতে লিখা সাঁচিপতীয়া পুথি কীৰ্ত্তন, নামঘোষা, শ্ৰীমৎভাগৱত, বৰগীত ইত্যাদিবোৰ আধুনিক ছপাশালত ছপাই প্ৰকাশ কৰি অসমীয়াক উছৰ্গা কৰিছিল। ইয়াৰ পূৰ্ব্বে এই মূল্যৱান পুথি-পাঁজিবোৰ সকলোৰে বাবে ঢুকি পোৱা অৱস্থাত নাছিল। ছপা কৰি উলিওৱাত এতিয়া অসমীয়া বিদ্বৎ সমাজে আৰু সাহিত্যপ্ৰেমীয়ে প্ৰাচীন গ্ৰন্থৰাজি হাততে ঢুকি পালে। তেওঁৰ এই দূৰদৃষ্টিপূৰ্ণ একক প্ৰচেষ্টাই অসমীয়া



ভাষা-সাহিত্য আৰু সংস্কৃতিৰ উত্তৰণৰ বাবে এক আন্দোলন গঢ়ি উঠাত সহায় কৰিছিল। প্ৰখ্যাত সাংসদ আৰু বৰেণ্য সাহিত্যিক স্বৰ্গীয় হেম বৰুৱাই নেশ্যনেল বুক ট্ৰাষ্ট অৱ ইণ্ডিয়াই প্ৰকাশ কৰি উলিওৱা তেওঁৰ ‘অসমীয়া সাহিত্য’ নামৰ (Assamese Literature) ইংৰাজী গ্ৰন্থত উল্লেখ কৰিছে, ‘‘ৰেভাৰেণ্ড নাথান ব্ৰাউন আৰু হৰিবিলাস আগৰৱালাৰ দিনৰ পৰা বৰ্তমানলৈ প্ৰাচীন হাতে লিখা পুথিবোৰ প্ৰকাশ কৰি উলিওৱাত সেইবোৰৰ ঐতিহাসিক আৰু সাহিত্যিক চৰ্চাইহে যে সম্ভৱপৰ হ’ল এনে নহয়, ইয়ে সমালোচনাৰ এটা ধাৰা গঢ়ি তোলাতো সমৰ্থ হ’ল।’’

এনে এক যুগ-নায়ক কৰ্ম্ম-পুৰুষ হৰিবিলাসৰ ১৯১৬ চনৰ ১৮ নৱেম্বৰত তেজপুৰত ৭৪ বছৰ বয়সত দেহাৱসান হয়। তেওঁৰ জীৱন দৰ্শনে আমাক শিকাই গ’ল কেনেকৈ সামাজিক দায়বদ্ধতাৰে এখন বিশাল ব্যৱসায়িক সাম্ৰাজ্য গঢ়ি অলেখ দুঃখ কষ্টৰ মাজতো নিজৰ পৰিয়ালৰ মূল্যবোধ, আদৰ্শ আৰু নৈতিকতা বিসৰ্জন দিয়াটো উচিত নহয়। তেওঁৰ কৰ্মৰাজিয়ে আমাক আৰু শিকাই থৈ গ’ল কেনেকৈ পৰাজয়ৰ মাজতো অপৰাজেয় হৈ থাকিব লাগে। তেওঁ আৰু শিকাই থৈ গ’ল কেনেকৈ অলেখ বিপদৰ মাজতো নিজে নিঃশেষ নোহোৱাকৈ বিপদ হেলাৰঙে অতিক্ৰম কৰিব লাগে। তেওঁ আমাক শিকাই গ’ল কেনেকৈ নিজৰ অদম্য কৰ্ম্মস্পৃহা আৰু কৰ্মক্ষমতাৰ দ্বাৰা নিজৰ উপৰিও সমগ্ৰ মানৱ জাতিৰ মঙ্গলৰ বাবে কাম কৰি যাব লাগে। এনে এক বিৰল আদৰ্শ বৰ্তমান যুগত অনুকৰণ কৰাটো খুবেই প্ৰয়োজন হৈ পৰিছে যেতিয়া স্বাৰ্থপৰ আৰু আত্মকেন্দ্ৰিক মানুহে ব্যৱসায় আৰু উদ্যোগ গঢ়োঁতে সামাজিক আৰু প্ৰাকৃতিক পৰিবেশৰ কথা অলপো চিন্তা কৰা দেখা নাযায়।

◆◆◆